## THE GAUHATI HIGH COURT AT GUWAHATI

*(The High Court of Assam, Nagaland, Mizoram and Arunachal Pradesh)*

**LIMITED DEPARTMENTAL COMPETITIVE EXAMINATION, 2018**
**FOR PROMOTION FROM GRADE –II TO GRADE –I OF ASSAM JUDICIAL SERVICE**

**Paper- IV** | **Total Marks: 50**
**Time: 1 pm to 3 pm** | **Duration: 2 Hours**

### অসমীয়া

১. তলৰ যিকোনো এটা বিষয়ৰ ওপৰত ন্যূনতম ১৫০ টা শব্দৰ ভিতৰত এখন ৰচনা লিখক ৫

(ক) মহিলা আৰু কন্যা শিশুৰ সুৰক্ষাত আইন
(খ) যৌন নিৰ্যাতনৰ পৰা শিশুৰ সুৰক্ষা
(গ) মাদক দ্ৰব্যৰ অপকাৰিতা আৰু ইয়াৰ প্ৰতিৰোধ

২. নিম্নলিখিত জতুৱা-ঠাঁচসমূহৰ যিকোনো তিনিটাৰ অৰ্থ লিখি বাক্য ৰচনা কৰক ৩

(ক) কঁকালত টঙালি বান্ধ
(খ) আটোম-টোকাৰি
(গ) আজল মঠালি
(ঘ) শলঠেকত পৰা
(ঙ) বাপতি সাহোন
(চ) কণাৰ লাখুটি

৩. তলত দিয়া যিকোনো দুটা ফকৰা-যোজনাৰ ভাব সম্প্ৰসাৰণ কৰক (প্ৰায় ৫০ টা শব্দৰ ভিতৰত) ২X২= ৪

(ক) অধিক মাছত বগলী কণা
(খ) বেজীৰ জুলা মনা, কুঠাৰৰ জলঙা নমনা
(গ) আঁঠুৰা চাই ঠেং মেলা
(ঘ) হস্তীৰো পিচলে পাৱ সজ্জনৰো বুৰে নাও

৪. তলত দিয়া শব্দবোৰৰ দুটাকৈ সমাৰ্থক শব্দ লিখক (প্ৰতিটোৰ বাবে $\frac{১}{২}$ নম্বৰকৈ) ২

(ক) ন্যায়াধীশ
(খ) আই
(গ) আকাশ
(ঘ) ন্যায়নিষ্ঠ

৫. তলত দিয়া শব্দবোৰৰ অৰ্থ লিখক (অসমীয়া অথবা ইংৰাজীত) (প্ৰতিটোৰ বাবে $\frac{১}{২}$ নম্বৰকৈ) ২

(খ) তহবিল (গ) নিৰংক ধনাদেশ

(ঘ) ওকালত নামা (ঙ) হলফনামা

৬. তলত দিয়া শব্দবোৰৰ ইংৰাজী পৰিভাষা লিখক (প্ৰতিটোৰ বাবে $\frac{১}{২}$ নম্বৰকৈ) ৬

(ক) অসামৰিক পদাধিকাৰ (খ) মহাধিবক্তা

(গ) স্পষ্টীকৰণ (ঘ) জব্দনামা

(ঙ) বৰ্গীকৰণ (চ) ধনাদেশ পুস্তিকা

(ছ) দেৱানী কাৰ্যবিধি আইন (জ) উত্তৰাধিকাৰ প্ৰমাণপত্ৰ

(ঝ) যানবাহন অধিদেয় (ঞ) অধিকৰ্তামণ্ডলী/সঞ্চালকমণ্ডলী

(ট) পদকীয়া (ঠ) দাতব্য নিধিকোষ

৭. তলত দিয়া শব্দবোৰৰ অসমীয়া পৰিভাষা লিখক (প্ৰতিটোৰ বাবে $\frac{১}{২}$ নম্বৰকৈ) ৪

a. Mortgage Deed b. Registration of birth and death

c. Subordinate Judge d. Land Revenue

e. Requisition of Property f. Maternity and Child Welfare

g. Abstract Budget h. Mandatory Provision

৮. তলত দিয়া শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ লিখক (প্ৰতিটোৰ বাবে $\frac{১}{২}$ নম্বৰকৈ) ২

(ক) বহুবল্কী (খ) গ্ৰহণীয়

(ঘ) অন্যায় (ঙ) নিষ্ক্ৰিয়

৯. এটা শব্দত প্ৰকাশ কৰক (প্ৰতিটোৰ বাবে $\frac{১}{২}$ নম্বৰকৈ) ৩

(ক) ভৰিৰ পৰা মূৰলৈ (খ) যাক পুৰিব নোৱাৰি

(গ) যাৰ কোনো শত্ৰু নাই (ঘ) যি উপকাৰীৰ উপকাৰ স্বীকাৰ নকৰে

(ঙ) যি বিধিসন্মত নহয় (চ) যি কাৰো ফলীয়া নহয়

১০. তলৰ অনুচ্ছেদ দুটা ইংৰাজীলৈ অনুবাদ কৰক ৫+৫= ১০

(ক) মই আচামী আৰু এজাহাৰকাৰী দুয়োজনকে চিনি পাওঁ। আমি একে গাঁৱৰে। ঘটনাৰ দিনা মই পথাৰত হাল বাই আছিলো। সেইদিনা আমাৰ ঘৰত ন-ভূই ৰোৱা আছিল। ঘটনাটো কেনেকৈ ঘটিল নাজানো। লোকৰ মুখৰ পৰাহে

শুনিছিলো। শুনামতে, পুৱা প্ৰায় ৮ মান বজাত আচামীয়ে নৰেশ্বৰ ৰাভাক কোৰ এখনেৰে কোব মাৰি দিয়ে। নৰেশ্বৰ ৰাভা মাটিত বাগৰি পৰে। ঘটনা সংঘটিত কৰি আচামীয়ে পলাবলৈ চেষ্টা কৰে, কিন্তু গাঁৱৰ মানুহে আচামীক ধৰি বান্ধি ৰাখে। আচামীৰ ঘৰৰ লগত মোৰ অহা-যোৱা আছে। আচামী আৰু এজাহাৰকাৰীৰ যদি মাটিৰ সীমা লৈ কিবা কাজিয়া আছিল মই নাজানো। সত্য নহয় যে মই পুলিচক ঘটনা দেখা বুলি কোৱা কথা মিছা।

(খ) প্ৰশ্নঃ যোৱা ১০-০৫-১৭ তাৰিখে দিনৰ ১-৪৫ মান বজাত তুমি বোকাজানৰ নিবাসী শ্ৰী মুকুল শইকীয়াক কাৰ্যালয়লৈ যোৱাৰ পথত হস্পিটেল তিনিআলিৰ ওচৰত দাৰে ঘপিয়াই হত্যা কৰিছা বুলি তোমাৰ ওপৰত সাক্ষ্য হৈছে, ইয়াত তোমাৰ ক'ব লগা কি আছে? ঘটনাৰ পিছত থানাত দা লৈ হাজিৰ হৈছিলা বুলিও সাক্ষ্য হৈছে।

উঃ মই কোনো দোষ কৰা নাই। দা লৈ হাজিৰ হোৱাটো সঁচা নহয়।

প্ৰশ্নঃ যোৱা ১৩-০৫-১৭ তাৰিখে এই গোচৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰি দণ্ডাধীশৰ আগত হাজিৰ কৰোঁতে তুমি ইচ্ছাকৃতভাৱে তোমাৰ দোষ স্বীকাৰ কৰিছিলা। হয়নে?

উঃ মই ইচ্ছাকৃতভাৱে স্বীকাৰ কৰা নাছিলো, পুলিচৰ ভয়তহে স্বীকাৰ কৰিছিলো।

প্ৰশ্নঃ তুমি আত্মপক্ষ সমৰ্থন কৰি সাক্ষী দিবা নেকি?

উঃ মোৰ সাক্ষী নাই।

১১. তলৰ অনুচ্ছেদটো অসমীয়ালৈ অনুবাদ কৰক 8

The twentieth century was one of intense human conflict on a scale never seen before. It is estimated that more than two hundred million people were killed in wars, revolutions, and genocides. From the Nazi holocaust to the mass murder by despots such as Stalin and Mao (in the later part of his career); from the killing fields of the Khmer Rouge to the attempts at ethnic cleansing in the Balkans and the genocide in Rwanda, the suffering of humanity has inflicted upon itself is truly hard to bear.

--- His Holiness Dalai Lama

১২. যোৱা ২০১৭ চনৰ ১১ এপ্ৰিলৰ ঘটনা। নাহৰকটীয়াৰ দুই ভাই-ককাই নয়ন দাস আৰু অমল দাসে লিডুৰ পৰা এখন ট্ৰাকত কয়লা বোজাই কৰি গুৱাহাটীলৈ বুলি ৰাওনা হয়। ট্ৰাকখনৰ নম্বৰটো হ'ল WB 23C 4398. লিডুৰ পৰা

কিছুদূৰ অহাৰ পিছত নয়ন দাসৰ কেইজনমান চিনাকি লোকো গাড়ীত উঠি লয়। তেওঁলোকে যোৰহাটলৈ যাব বুলি দুয়োকে জনালে। বাটত কথা-বতৰা পাতি তামোল চাধা খাই তেওঁলোক আগবাঢ়িল। শিৱসাগৰত তেওঁলোকে আটায়ে ৰাতিৰ আহাৰো খালে। নয়ন আৰু অমলে ৰুটি তৰকাৰী আৰু আন তিনিজনে ভাত খালে। কাষতে থকা পাণ গুমটি এখনত তেওঁলোকে তামোল খালে আৰু বাটত উঠা তিনিজনে চিগাৰেটৰ পেকেট আৰু চাধা কিনিলে। যোৰহাটৰ ওচৰৰ পাওঁতে নয়নে বাটত উঠা লোককেইজনক ক'লে, "তোমালোকে ক'ত নামিবা ক'বা, ৰখাই দিম।" তেতিয়া তেওঁলোকৰ ৰামেশ্বৰ সোনোৱাল বোলা লোকজনে ক'লে, 'ইমান ৰাতি ইয়াত নানামো, আগত নামিম।' সেইবুলি তেওঁলোকে নামিবলৈ ইচ্ছা নকৰা হ'ল। এনেকৈ গৈ থাকোতে ৰাতি প্ৰায় ২ মান বজাত বোকাখাত পোৱাৰ আগতে নয়ন দাসে হঠাৎ চিঞৰি উঠিল, 'মৰিলো ঔ' বুলি। তেতিয়া অমলৰ অলপ টোপনি আহিছিল। চিঞৰ শুনি সি সাৰ পাই কি হ'ল বুলি সোধে আৰু দেখে যে ৰামেশ্বৰ সোনাৱালে নয়নক ডেগাৰ এখনেৰে পিঠিত হানি দিছে। অমলে বাধা দিবলৈ চেষ্টা কৰোঁতে সিহঁতে তাকো মাৰপিট কৰে আৰু ডেগাৰে আঘাত কৰে। তাৰপিছত সিহঁতে দুয়োটাকে গাড়ীৰ পৰা বাহিৰলৈ পেলাই দিয়ে আৰু গাড়ীখন লৈ তাৰপৰা উধাও হয়। নয়ন দাস গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। নয়নৰ পিঠিৰ পৰা তেজ ওলাই সৰ্বশৰীৰ তেজেৰে লুতুৰি-পুতুৰি হয়। অমলে এখন ১০৮ এম্বুলেঞ্চ যোগে নয়নক বোকাখাতৰ অসামৰিক চিকিৎসালয়লৈ লৈ যায় যদিও বাটতে নয়নৰ মৃত্যু হয়। অমল দাসে জনোৱামতে উক্ত তিনিজন লোকৰ এজনৰ নাম হৈছে ৰামেশ্বৰ সোনোৱাল। তেওঁৰ ঘৰ নাহৰকটীয়াত। তেওঁ নয়ন দাসৰ চিনাকি আছিল। কিন্তু বাকী দুজনৰ নাম ঠিকনা জনা নগ'ল। কাৰণ গাড়ীত যাত্ৰা কৰাৰ সময়ত ৰামেশ্বৰে তেওঁলোকক বিকি আৰু ৰন্টু বুলি চিনাকি কৰি দিছিল যদিও তেওঁলোকৰ সম্পূৰ্ণ নাম বা ঠিকনা কোৱা নাছিল। অমলহঁতেও তেওঁলোকৰ ঠিকনা সোধা নাছিল।

________________ **উপৰোক্ত ঘটনাটো ভালদৰে পঢ়ক আৰু ঘটনাটো জনাই বোকাখাত আৰক্ষী থানাৰ প্ৰভাৰী / ভাৰপ্ৰাপ্ত বিষয়ালৈ ইংৰাজীতে এখন এজাহাৰ লিখক।** **৫**

---------------------- XXXX ---------------------